# Prime Minister Addresses the virtual Global Vaccine Summit 2020

June 04, 2020

---

## ভাৰ্চুৱেল আন্তঃৰাষ্ট্ৰীয় প্ৰতিষেধক শীৰ্ষ সন্মিলন 2020ত প্ৰধানমন্ত্ৰীৰ ভাষণ

জুন 04, 2020

ভাৰতে আজি আন্তঃৰাষ্ট্ৰীয় প্ৰতিষেধক মৈত্ৰী- গাভিলৈ 15 মিলিয়ন মাৰ্কিন ডলাৰ অনুদান আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে।

ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনৰ অধ্যক্ষতাত অনুষ্ঠিত ভাৰ্চুৱেল আন্তঃৰাষ্ট্ৰীয় প্ৰতিষেধক শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে ভাষণ আগবঢ়ায় যত প্ৰায় 50 খন দেশৰ বাণিজ্য সংস্থাৰ কৰ্ণধাৰ, ৰাষ্ট্ৰসংঘৰ এজেঞ্চীসমূহ, বিভিন্ন দেশৰ মন্ত্ৰী, ৰাষ্ট্ৰপ্ৰধান আৰু ৰাষ্ট্ৰৰ নেতাসকলে অংশগ্ৰহণ কৰে।

প্ৰধানমন্ত্ৰীয়ে তেখেতৰ ভাষণত কয় যে ভাৰতে এই প্ৰত্যাহ্বানৰ সময়ছোৱাত সমগ্ৰ বিশ্বৰ সৈতে সহমৰ্মিতা পোষণ কৰে।

শ্ৰী মোডীয়ে কয়, সমগ্ৰ বিশ্বই এটা পৰিয়াল- ভাৰতীয় সভ্যতাই আমাক এই শিক্ষাই দিয়ে আৰু মহামাৰীৰ সময়ছোৱাত এই শিক্ষাৰ দ্বাৰাই উদ্বুদ্ধ হৈ আমি আগুৱাই গৈছো। তেখেতে কয় ভাৰতে ইয়াত মজুত থকা ঔষধ 120 খন দেশলৈ প্ৰেৰণ কৰাৰ লগতে নিজৰ দেশৰ জনসাধাৰণক ৰক্ষা কৰি প্ৰতিবেশী দেশসমূহৰ সৈতে এক অভিন্ন কৌশল গঢ় দিছে যাৰ জৰিয়তে সংকটৰ পৰা মুক্ত হোৱাৰ পদক্ষেপ হাতত লৈছে।

প্ৰধানমন্ত্ৰীয়ে কয় যে কভিড-19 মহামাৰীয়ে আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ সীমাবদ্ধতাক প্ৰকাশ কৰিছে আৰু সাম্প্ৰতিক ইতিহাসত মানৱ জাতিয়ে প্ৰথমবাৰৰ বাবে এক অভিন্ন শত্ৰুৰ সৈতে মোকাবিলা কৰিছে।

গাভিৰ প্ৰসংগ উল্লেখ কৰি তেখেতে কয় যে এইয়া কেৱল এক আন্তঃৰাষ্ট্ৰীয় মৈত্ৰীয়েই নহয় বৰঞ্চ এক বৈশ্বিক সংহতিৰ প্ৰতীকো, যাৰ জৰিয়তে আমি এখন দেশে আনখন দেশক সহাৰ্য আগবঢ়াইছো।

তেখেতে কয় যে ভাৰতত এক বিশাল জনসংখ্যা আৰু সীমিত স্বাস্থ্য সেৱাৰ সুবিধা আছে আৰু যাৰ বাবে আমি টীকাকৰণৰ গুৰুত্ব উপলব্ধি কৰিব পাৰো।

প্ৰধানমন্ত্ৰীয়ে কয় যে তেখেতৰ চৰকাৰৰ প্ৰথম পদক্ষেপসমূহৰ ভিতৰত অন্যতম হল মিছন ইন্দ্ৰধনুষ, যাৰ জৰিয়তে সমগ্ৰ দেশৰ লগতে দেশৰ দুৰ্গম অংশত থকা শিশু আৰু গৰ্ভৱতী মহিলাসকলৰ টীকাকৰণ নিশ্চিত কৰা হয়।

তেখেতে কয় সুৰক্ষাৰ বিস্তাৰৰ কাৰণে ভাৰতে নিজৰ ৰাষ্ট্ৰীয় টীকাকৰণ কাৰ্যক্ৰমত ছটা নতুন প্ৰতিষেধকৰ সংযোজন কৰিছে।

প্ৰধানমন্ত্ৰীয়ে বিশদভাৱে কয় ভাৰতে প্ৰতিষেধক যোগানৰ সমগ্ৰ প্ৰক্ৰিয়াটো ডিজিটেল মাধ্যমেৰে কৰি আহিছে আৰু ইয়াৰ যোগান শৃংখল পৰ্যবেক্ষণৰ বাবে এক ইলেকট্ৰনিক প্ৰতিষেধক নিৰীক্ষণ ব্যৱস্থা গঢ়ি তুলিছে।

এই উদ্ভাৱনসমূহৰ জৰিয়তে নিৰাপদ আৰু প্ৰয়োজনীয় প্ৰতিষেধক সঠিক সময়ত, সঠিক মাত্ৰাত সকলোৱে যাতে লাভ কৰে তাক নিশ্চিত কৰা হৈছে বুলি তেখেতে কয়।

প্ৰধানমন্ত্ৰীয়ে কয় বিশ্বৰ প্ৰতিষেধক উত্পাদনকাৰী দেশসমূহৰ ভিতৰত ভাৰত প্ৰথম শাৰীত আছে আৰু সমগ্ৰ বিশ্বৰ 60 শতাংশ শিশুৰ টীকাকৰণৰ কামত ভাৰতৰ অৱদান আছে।

শ্ৰী মোডীয়ে কয় ভাৰতে গাভীৰ কামৰ স্বীকৃতি আৰু মূল্য প্ৰদান কৰি অহাৰ লগতে গাভীত ভাৰতে নিয়মীয়াকৈ অনুদানকে ধৰি বিভিন্ন সাহাৰ্য প্ৰদান কৰি আহিছে।

প্ৰধানমন্ত্ৰীয়ে কয় ভাৰতে গাভীক আৰ্থিক সাহাৰ্য প্ৰদান কৰাই নহয় বৰঞ্চ বিগত পাচ বছৰত গাভীৰ 400 মিলিয়ন ডলাৰ ৰাহি কৰি বৈশ্বিকভাৱে প্ৰতিষেধকৰ দাম হ্ৰাস কৰাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

প্ৰধানমন্ত্ৰীয়ে উন্নত মানৰ ঔষধ আৰু প্ৰতিষেধক কম ব্যয়েৰে উত্পাদন কৰাৰ ক্ষেত্ৰত সমগ্ৰ বিশ্বৰ সৈতে ভাৰতৰ সহমৰ্মিতাৰ দিশটো তেখেতৰ ভাষণত দাঙি ধৰে। ভাৰতত টীকাকৰণৰ প্ৰসাৰ আৰু উল্লেখযোগ্য গৱেষণাৰ অভিজ্ঞতাই এই ক্ষেত্ৰত সহায়ক হৈছে বুলি তেখেতে জানিবলৈ দিয়ে।

তেখেতে কয় বিশ্বব্যাপী স্বাস্থ্য সেৱা প্ৰচেষ্টাত ভাৰতে অনুদান দিয়াৰ উপৰিও সমগ্ৰ বিশ্বৰ সৈতে তেখেতে অভিজ্ঞতাও আদান প্ৰদান কৰে।

**নতুন দিল্লী**
**জুন 04, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.